উপন্যাসখনৰ অন্যতম প্ৰধান বৈশিষ্ট্য হ'ল, ইয়াত নায়কে নিজৰ জীৱনৰ কাহিনী নিজেই বৰ্ণনা কৰিছে। এনে বৰ্ণনা ৰীতিৰ আশ্ৰয় লোৱা হৈছে যদিও হঠাতে 'তৃতীয় পুৰুষৰ বিৱৰণ' (Third person narrative) সন্নিবিষ্ট কৰি লিখকে বৰ্ণনাৰ বিচ্যুতি ঘটাইছে। নিৰ্মলৰ মৃত্যু আৰু শেষকৃত্যাদি দৰ্শাবৰ কাৰণে আঙ্গিকৰ ফালৰ পৰা এই ত্ৰুটি সমৰ্থনযোগ্য নহয়। আত্মজীৱনীমূলক উপন্যাস ৰচনা নকৰি গতানুগতিক ধাৰা অৱলম্বন কৰাটো অধিক যুক্তিযুক্ত হ'লহেঁতেন।

বৰদলৈৰ অন্যান্য উপন্যাসৰ বিপৰীতে 'নিৰ্মল ভকত'ত আমি এটা নায়ক প্ৰধান কাহিনী দেখিবলৈ পাওঁ আৰু নায়কৰ চৰিত্ৰটোও যথেষ্ট বলিষ্ঠ আৰু প্ৰকৃত আদৰ্শনিষ্ঠ হিচাপে উপস্থাপিত কৰা হৈছে। প্ৰকৃততে এনে পৰিপূৰ্ণৰূপে বলিষ্ঠ পুৰুষ চৰিত্ৰ আন কোনো উপন্যাসতেই নাই। যৌৱনত নিৰ্মলক প্ৰথমতে দেখা পাওঁ এজন সাহসী, প্ৰাণচঞ্চল, একনিষ্ঠ প্ৰেমিক হিচাপে, আৰু তাৰ পিছত এজন স্বদেশপ্ৰেমী যোদ্ধাৰ ৰূপত— দেশৰ আৰু সমাজৰ মঙ্গলচিন্তাই যাৰ প্ৰধান কৰ্ম আৰু ধৰ্ম। মাহীয়েকৰ পবিত্ৰ প্ৰভাৱে তেওঁক পত্নীপ্ৰেমতকৈ উচ্চ আৰু বিশাল ভগৱৎ প্ৰেমৰ অমৃত-প্ৰবাহত অৱগাহন কৰিবলৈ পথ নিৰ্দেশ কৰিছিল আৰু সেয়ে তেওঁ শেষত ভগৱৎ সাধনাত জীৱন উছৰ্গা কৰিলে। ৰূপহীৰ প্ৰেম আৰু আকৰ্ষণে তেওঁক স্বদেশলৈ টানি আনিছিল সঁচা, কিন্তু প্ৰকৃত প্ৰেমিকৰ দৰেই নিজৰ প্ৰিয়তমাৰ জীৱনত বিপৰ্যয়ৰ সৃষ্টি নকৰি তাইক অনিৰামৰ লগত ঘৰ-সংসাৰ কৰিবলৈ এৰি দিলে। এই মহান স্বাৰ্থত্যাগৰ কাৰণেই নিৰ্মলৰ চৰিত্ৰ আকৰ্ষণীয় হৈ পৰিছে।

যদিও অনিৰামৰ পত্নীৰূপে জীৱন কটাব লগা হৈছিল তথাপি ৰূপহীয়েও কিন্তু আদৰ্শ ভাৰতীয় নাৰী ৰূপেই নিজৰ পৰিচয় দাঙি ধৰিছে। সুদীৰ্ঘ বাৰ বছৰ আকুল মনেৰে তাই বাঞ্ছিত পতিৰ প্ৰত্যাগমনৰ প্ৰত্যাশাৰে কালাতিপাত কৰিলে। অশেষ কষ্ট সহ্য কৰিও প্ৰেমৰ মৰ্যদা ৰক্ষা কৰিলে। অনিৰামৰ লগত কোনো অবৈধ সম্পৰ্ক স্থাপন নকৰাকৈ স্বামীৰ ধ্যানতে জীৱন অতিবাহিত কৰিলে আৰু শেষত বাৰ বছৰৰ অন্ততহে সমাজপতিসকলৰ নিৰ্দেশানুসাৰে অনিৰামক জীৱনসংগীৰূপে গ্ৰহণ কৰিলে। অনিৰামেও



ৰূপহীৰ প্ৰতি তাৰ অকৃত্ৰিম প্ৰেমৰ নিদৰ্শন ৰাখিলে সুদীৰ্ঘকাল অসীম ধৈৰ্য আৰু ঐকান্তিকভাৱে তাৰ মানসীৰ মঙ্গলসাধন কৰি। প্ৰকৃততে বৰদলৈয়ে তেওঁৰ 'নিৰ্মল ভকত' উপন্যাসত এক প্ৰশংসনীয় চৰিত্ৰ সৃষ্টিৰ ক্ষমতা দৰ্শাইছে। নিৰ্মলৰ চৰিত্ৰটোৱে গভীৰভাৱে আকৃষ্ট কৰে আৰু এই চৰিত্ৰটোৰ কাৰণেই 'নিৰ্মল ভকত'ক শুদ্ধ ঐতিহাসিক উপন্যাস বুলি গণ্য নকৰি এখন চৰিত্ৰপ্ৰধান বা চৰিত্ৰকেন্দ্ৰিক উপন্যাস (a novel of character) হিচাপে গ্ৰহণ কৰাটো অধিক যুক্তিযুক্ত হ'ব।

'নিৰ্মল ভকত' উপন্যাসখনৰ সন্দৰ্ভত আমাৰ মনত উদয় হোৱা চিন্তা ৰাশিকহে ইয়াত দাঙি ধৰিলোঁ। পঢ়ুৱৈ সমাজে নিজ বিচাৰেৰে এই অমূল্য গ্ৰন্থখনৰ বিশ্লেষণ কৰিলে মোৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।